# উডবল দলৰ খেলুৱৈক সম্বৰ্ধনা



গুৱাহাটী, ৮ এপ্ৰিল ঃ নাগপুৰত অনুষ্ঠিত ১৯ সংখ্যক ৰাষ্ট্ৰীয় উডবল প্ৰতিযোগিতাত অসম উডবল দলটোৱে পুৰুষৰ ষ্ট্ৰ'ক গ্ৰুপ শাখাত দ্বিতীয় ৰানাৰ আপ ট্ৰফী আৰু ব্ৰঞ্জৰ পদক, মহিলাৰ ষ্ট্ৰ'ক শাখাৰ ডাবলছত ৰূপৰ পদক, ষ্ট্ৰ'ক শাখাৰ মিক্সড ডাবলছত ব্ৰঞ্জ, মহিলা আৰু পুৰুষৰ ছিংগলছ ফেয়াৰৱে' শাখাত ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰি ৰাজ্যৰ ক্ৰীড়া জগতলৈ সুনাম কঢ়িয়াই আনে। পদকপ্ৰাপ্ত খেলুৱৈসকলক আজি দিছপুৰ মহাবিদ্যালয়ৰ নিৰ্মলপ্ৰভা বৰদলৈ সভাকক্ষত কলেজ কৰ্তৃপক্ষ আৰু উডবল সন্থা, অসমে সম্বৰ্ধনা জনায়। ভাৰতৰ ২৮ খন ৰাজ্যৰ প্ৰায় ৬০০ খেলুৱৈয়ে এই ৰাষ্ট্ৰীয় উডবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। সভাত উডবল সন্থা, অসমৰ সভাপতি তথা গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত ড° পাৰ্থসাৰথি মহন্ত, কাৰ্যকৰী সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা, সাধাৰণ সম্পাদক প্ৰাণপ্ৰতিম চলিহা, সহকাৰী সাধাৰণ সম্পাদক ড° শশীমোহন দাস, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।